চলন্তাপাৰাৰ মহাত্মা গান্ধী মহাবিদ্যালয়

# নৱাগতৰ আদৰণী সভা

**প্ৰতিদিন সেৱা, যোগীঘোপা, ১৩ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰা মহাত্মা গান্ধী মহাবিদ্যালয়ত ১২ ছেপ্টেম্বৰত ২০২৪-২৫ শিক্ষাবৰ্ষৰ নৱাগত ছাত্ৰ-ছাত্ৰীৰ আদৰণী সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° শ্বেখ ফখৰুদ্দিন আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক সন্তোষ কুমাৰ মিশ্ৰ, মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ৰামচন্দ্ৰ পাঠক, চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আবুল হুছেইনৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি। মুকলি সভাত আদৰণী ভাষণ আগবঢ়ায় অসমীয়া বিভাগৰ অধ্যাপিকা ড° বন্দনা কলিতাই। সভাত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে মহাত্মা গান্ধী মহাবিদ্যালয়খনে অতি কম সময়ৰ ভিতৰতে যথেষ্টখিনি আগবাঢ়ি যোৱা বুলি মন্তব্য কৰে। মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ যথেষ্ট উন্নত বুলি মন্তব্য কৰি ড° সুভাষ বৰ্মনে কয় যে মহাবিদ্যালয়খনৰ উন্নতিৰ এই ধাৰা অব্যাহত থাকিলে কম সময়ৰ ভিতৰতে মহাবিদ্যালয়খনে সকলো দিশতে সুনাম অৰ্জন কৰিবলৈ সমৰ্থ হ'ব। সভাত শিক্ষক-কৰ্মচাৰীৰ হৈ উচ্চ বৰ্গৰ সহায়ক এবাদুল হুছেইনে বক্তব্য আগবঢ়ায়। এই সভাতেই মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'সাহিত্য জ্যোতি' উন্মোচন কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। সংগীতানুষ্ঠানত আমন্ত্ৰিত কণ্ঠশিল্পী নুৰী আলিশাই গীত গায়।

# বৰষুণ নাই, গোসাইগাঁৱৰ শালি

**প্ৰতিদিন সেৱা, কচুগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাত খেতিপথাৰত পানী যোগান ধৰাৰ বাবে জলসিঞ্চনৰ আঁচনিবোৰ কাৰ্যক্ষম নথকাত তথা জলসিঞ্চনৰ ব্যৱস্থা নথকাত শালিধানৰ পথাৰ যেন ঘাঁহনিডৰাহে। চলিত বৰ্ষটোত ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাত একেবাৰে বৰষুণ নোহোৱাত শালিধানৰ পথাৰ ঘাঁহৰি পথাৰ পৰিণত হৈছে। বিগত শাওণ মাহত পৰ্যাপ্ত বৰষুণ নোহোৱা জিলাখনত ভাদ মাহতো তীব্ৰ খৰাং। চলিত বৰ্ষটোত কৃষকৰ বাবে এক ব্যতিক্ৰমী বতৰ হিচাপে চিহ্নিত হোৱা কোকৰাঝাৰ জিলাত এইপৰ্যন্ত নাই পৰ্যাপ্ত বৰষুণ। চলিত বছৰটোৰ গ্ৰীষ্ম প্ৰবাহে দহি যোৱা ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে সমগ্ৰ কোকৰাঝাৰ জিলাত পৰ্যাপ্ত বৰষুণৰ অভাৱত ছিঁৰাল ফাট মেলা ধাননি পথাৰত ঘাঁহ-বন গজি ছন পৰিছে শ শ হেক্টৰ কৃষিভূমি। গোসাইগাঁও মহকুমাত সৰ্বত্ৰ দেখা গৈছে একেই দৃশ্য। উৎকট গৰম, খৰাং বতৰত



## পাকাবেতবাৰীৰ খান্দাৰকুৰ অংগনৱাড়ী কেন্দ্ৰ

# শিশু, গৰ্ভৱতীক খাদ্য-সামগ্ৰী বিতৰ

**প্ৰতিদিন বিশেষ সংবাদ, বহৰি, ১৩ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ পাকাবেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ ৬৬নং খান্দাৰকুৰ গাঁও অংগনৱাড়ী কেন্দ্ৰত ১২ ছেপ্টেম্বৰত ১০৯ টি শিশু, ২৫ গৰাকী গৰ্ভৱতী আৰু ২৫ গৰাকী প্ৰসূতিকে ধৰি মুঠ ১৫৯ টি শিশু, গৰ্ভৱতী আৰু প্ৰসূতিৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰা হয়। কেন্দ্ৰটোৰ কৰ্মী মুঞ্জুৱাৰা খাতুন, কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সভাপতি ৰহমত আলী, খান্দাৰকুৰ গাঁৱৰ গাঁওপ্ৰধান ৰহিম খান, সমাজকৰ্মী ৰাজিবুল মোল্লা, মাজেদুল ইছলাম, ৰফিকুল ইছলাম দেৱানকে ধৰি কেইবাগৰাকীও ব্যক্তিৰ উপস্থিতিত কেন্দ্ৰটোৰ শিশু, ছাত্ৰ-ছাত্ৰী, গৰ্ভৱতী আৰু প্ৰসূতিৰ মাজত বিনামূলীয়াকৈ প্ৰদান কৰা মটৰ, চাউল আদি খাদ্য-সামগ্ৰী বিতৰণ কৰা হয়। উল্লেখ্য যে ৬ মাহৰ পৰা ৩ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চৰকাৰৰ আবণ্টিত ৩৬০ কিঃগ্ৰাঃ চুজি-হালোৱা আৰু ৫৩ দিনৰ বাবে ৮২০ কিলোগ্ৰাম চাউল, ১৬০ কিলোগ্ৰাম দাইল, ১৭০ কিলোগ্ৰাম মটৰ বিতৰণ কৰা হয়। একেদৰে ৬ মাহৰ পৰা ৩ বছৰৰ ভি
ছাত্ৰ-ছাত্ৰীক ১২০ গ্ৰামকৈ চাউল, ২৫ গ্ৰামকৈ দা
২৫ গ্ৰামকৈ মটৰ, চুজি-হালোৱা আৰু প্ৰস
প্ৰতিগৰাকীক ১৪০ গ্ৰামকৈ চাউল, ২০ গ্ৰামকৈ দা
৩০ গ্ৰামকৈ মটৰ লগতে চুজি-হালোৱা বিতৰণ ক
হয়। ইপিনে অলপতে কেন্দ্ৰটোৰ ৩ বছৰৰ পৰা
বছৰৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৪২ জোৱা স্ক
পেন, জোতা-মোজা, টাই, বেগ, বটল, টিফিন, বে
আইকাৰ্ড আদি প্ৰদান কৰা হয়। সম্প্ৰতি অংগনৱা
কেন্দ্ৰৰ জৰিয়তে সমাজ কল্যাণ বিভাগে, শিশু, গৰ্ভৱ
মহিলা আৰু প্ৰসূতি মাতৃসকলক নিয়মিতভাৱে বিভি
ধৰণৰ খাদ্য-সামগ্ৰী প্ৰদান কৰি আহিছে যদিও
অংগনৱাড়ী কেন্দ্ৰই হিতাধিকাৰীৰ মাজত খাদ্য-সাম
বিতৰণ নকৰাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়
খান্দাৰকুৰ গাঁৱৰ ৬৬ নং অংগনৱাড়ী কেন্দ্ৰটো
সঠিকভাৱে নিষ্ঠাৰে সামগ্ৰীসমূহ বিতৰণৰ বাবে লো
এনে পদক্ষেপক ৰাইজে শলাগ লৈছে।

# জনিয়াত পুনৰ আই-বেঁকী-মান

**প্ৰতিদিন সেৱা, কলগাছিয়া, ১৩ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ জনিয়া সমষ্টিৰ বিভিন্ন নৈপৰীয়া অঞ্চলত পুনৰ আৰম্ভ হৈছে ভয়াবহ খহনীয়া। উক্ত খহনীয়াৰ কবলত পৰি ইতিমধ্যে বহুকেইটা পৰিয়ালে হেৰুৱাবলগীয়া হৈছে নিজৰ মাটি-ভেটি। সমষ্টিটোৰ মাজেৰে বৈ যোৱা বেঁকী, আই, মানাহ আদি নদীয়ে পুনৰ ব্যাপকভাৱে খহনীয়া আৰম্ভ কৰিছে। বানপানীৰ পিচত হোৱা নাজল-নাথল অৱস্থাৰ মাজতে সমষ্টিটোৰ

